**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 29-07-2026
**Time :** 21-25 Hrs

# ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

ৰাজ্যৰ বান পৰিস্থিতি সামান্য সুস্থিৰ হৈছে যদিও ৭ খন জিলাৰ বিস্তীৰ্ণ অঞ্চল এতিয়াও প্লাৱিত হৈ আছে। শেহতীয়া চৰকাৰী প্ৰতিবেদন অনুসৰি শিৱসাগৰ, গোলাঘাট, চৰাইদেউ, শোণিতপুৰ, যোৰহাট, নগাঁও আৰু কামৰূপ মহানগৰ জিলাৰ বহু অঞ্চল এতিয়াও বানত বুৰ গৈ আছে। বানত মৃত্যু হোৱা লোকৰ সংখ্যা ৭৫ লৈ বৃদ্ধি পাইছে।

ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই আজি লোকভৱনত অনুষ্ঠিত এখন বৈঠকত সৰ্বাধিক ক্ষতিগ্ৰস্ত শিৱসাগৰ, চৰাইদেউ, যোৰহাট আৰু গোলাঘাট জিলাকে ধৰি ৰাজ্যৰ সামগ্ৰিক বান পৰিস্থিতিৰ পৰ্যালোচনা কৰে। বৈঠকত ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ অতিৰিক্ত মুখ্য সচিব এল চুইটি চাংছেনে সাম্প্ৰতিক বান পৰিস্থিতিৰ বিষয়ে বিশদভাৱে অৱগত কৰে। শ্ৰীআচাৰ্যই উদ্ধাৰ আৰু সাহায্য অভিযান নিৰন্তৰ চলাই নিবলৈ আৰু বান ক্ষতিগ্ৰস্ত লোকসকলে যাতে সময়মতে সকলো ধৰণৰ সাহায্য লাভ কৰে তাক নিশ্চিত কৰিবলৈ সংশ্লিষ্ট বিভাগ আৰু সংস্থাসমূহক নিৰ্দেশ দিয়ে।

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি টেলিফোনযোগে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ সৈতে কথা পাতি বান পৰিস্থিতিৰ বুজ লয়। গৃহমন্ত্ৰীগৰাকীয়ে ৰাজ্যখনৰ শেহতীয়া বানত ক্ষতিগ্ৰস্ত লোকসকলৰ পুনৰ্বাসন আৰু সাহায্য প্ৰক্ৰিয়াৰ পৰ্যালোচনা কৰে। কেন্দ্ৰীয় চৰকাৰে এই পৰিস্থিতিত সকলো ধৰণে ৰাজ্য চৰকাৰক সহযোগিতা আগবঢ়াব বুলি তেওঁ আশ্বাস দিয়ে।

ooooo

সন্ধিয়াৰ ভাগত অহা ধাৰাসাৰ বৰষুণৰ ফলত আজি গুৱাহাটী মহানগৰীৰ বিভিন্ন স্থানত পুনৰ কৃত্ৰিম বানৰ সৃষ্টি হয়। মহানগৰীৰ হাতীগাঁও, চানমাৰি, উলুবাৰী, মালিগাঁও, অনিল নগৰ আদি অঞ্চল কৃত্ৰিম বানত বুৰ যায়। বৰষুণৰ ফলত বৰাগাঁৱৰ সমীপৰ ৰাষ্ট্ৰীয় ঘাইপথতো বানসদৃশ পৰিৱেশৰ সৃষ্টি হয়। বানৰ ফলত যান-বাহন চলাচল ব্যাহত হয় আৰু যাত্ৰীসকল অসুবিধাৰ সন্মুখীন হ'বলগীয়া হয়।

ooooo

অসম বিধানসভাৰ চলিত বাজেট অধিবেশনৰ আজি অন্তিম দিনা ভূমি আৰু ৰাজহ নিয়ন্ত্ৰণ সংশোধনী বিধেয়ক গৃহীত কৰা হয়। এই বিধেয়কৰ জৰিয়তে সত্ৰৰ ভূমি ক্ৰয়-বিক্ৰয়ক লৈ সংশোধনী অনা হৈছে। ৰাজ্যৰ ২৫০ বছৰীয়া পুৰণি কোনো ধৰ্মীয় অনুষ্ঠানৰ ৫ কিলোমিটাৰ ব্যাসাৰ্ধৰ ভিতৰত বাহিৰৰ কোনো ব্যক্তিয়ে ভূমি ক্ৰয় কৰিব নোৱাৰিব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বিধানসভাত এই কথা উল্লেখ কৰি কয়, যে আঢ়ৈশ বছৰীয়া পুৰণি ধৰ্মীয় অনুষ্ঠানৰ সমীপত কেৱল খিলঞ্জীয়া লোকেহে বাস কৰিব। ৩ প্ৰজন্মৰ লোকেহে ধৰ্মীয় অনুষ্ঠানৰ নিৰ্ধাৰিত সীমাৰ ভিতৰত ভূমি কিনা-বেচা কৰিব পাৰিব বুলি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়। পূৰ্বৰে পৰা ম্যাদী পট্টা থকা লোকসকলেহে সত্ৰৰ ভূমিত

বাস কৰিব পাৰিব বুলি তেওঁ উল্লেখ কৰে। ধৰ্মীয় অনুষ্ঠানত ৫ কিলোমিটাৰ ব্যাসাৰ্ধৰ ভিতৰত ভূমিপট্টা নথকা বা অকৰ্তৃত্বশীলভাৱে বসবাস কৰা লোকক উচ্ছেদ কৰা হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। মাজুলী, বৰপেটা, বৰদোৱা সত্ৰ, ৰংঘৰ, কাৰেংঘৰৰ ৫ কিলোমিটাৰ ব্যাসাৰ্ধৰ ভিতৰত বহিৰাগত লোকে ভূমি ক্ৰয় কৰিব নোৱাৰিব।

*বাইট ঃ মুখ্যমন্ত্ৰী*

০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি দিছপুৰৰ লোকসেৱা ভৱনৰ পৰা পতাকা জোকাৰি ভূটানলৈ দুগ্ধজাত সামগ্ৰী ৰপ্তানিৰ প্ৰথমটো খেপ আনুষ্ঠানিকভাৱে ৰাওনা কৰে। কৃষি আৰু প্ৰসংস্কৰণজাত খাদ্য সামগ্ৰী ৰপ্তানি উন্নয়ন প্ৰাধিকৰণ - এপেডাৰ সহযোগত আয়োজিত এটা অনুষ্ঠানত ৫ হাজাৰ ৬২৭ লিটাৰ পূৰৱী প্ৰিমিয়াম আইচক্ৰীমৰ এই প্ৰথমটো খেপ চুবুৰীয়া ৰাষ্ট্ৰখনলৈ প্ৰেৰণ কৰা হয়। এয়া হৈছে ৰাজ্যখনৰ বিদেশলৈ দুগ্ধজাত সামগ্ৰীৰ প্ৰথমটো বাণিজ্যিক ৰপ্তানি।

০০০০০

আকাশবাণী গুৱাহাটীৰ অহা শনিবাৰে নিশা ৮ বাজি ২ মিনিটত প্ৰচাৰ হ'বলগীয়া দৃষ্টিপাত অনুষ্ঠানত বানৰ পাছত জনস্বাস্থ্য, ৰোগ নিয়ন্ত্ৰণ আৰু খোৱাপানী ব্যৱস্থাপনা বিষয়ত এটা আলোচনা প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানত ভাগ ল'ব ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান অসমৰ সংহত ৰোগ নিৰীক্ষণ কাৰ্যসূচী বিষয়া ডাঃ হেমেন দাস আৰু জনস্বাস্থ্য কাৰিকৰী বিভাগৰ অতিৰিক্ত মুখ্য অভিযন্তা ভাস্কৰ জ্যোতি শৰ্মাই। অনুষ্ঠানটিৰ আঁত ধৰিব অৰুণিমা গোস্বামীয়ে। শ্ৰোতাসকলে অনুষ্ঠানটি চলি থকা সময়ত ০৩৬১-২৬৬১৮৭৬ আৰু ৯৪৩৫৪-০৫২২২ -এই দুটি নম্বৰলৈ ফোন কৰি অনুষ্ঠানটিত অংশ ল'ব পাৰিব।

০০০০০

নৌ সেনাৰ ফুটবল দলে কাইলৈ ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাত অভিযান আৰম্ভ কৰিব। মণিপুৰৰ ৰাজধানী ইম্ফলত হ'বলগীয়া গ্ৰুপ ডিৰ লীগ পৰ্যাযৰ দ্বিতীয়খন খেলত নৌসেনাৰ দলটো এফ চি ৰেংডাই দলৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন বিয়লি ৪ বজাত আৰম্ভ হ'ব। ইপিনে, কলকাতাৰ বিবেকানন্দ যুৱ ভাৰতী ক্ৰীড়াংগনত কাইলৈ সন্ধিয়া ৭ বজাত হ'বলগীয়া প্ৰতিযোগিতাৰ গ্ৰুপ বিৰ এখন খেলত ছমলেশ্বৰী স্পোৰ্টিং দল বাগপট এফ চিৰ সন্মুখীন হ'ব।

০০০০০

ঃঃ সমাপ্ত ঃঃ